## পঞ্জীয়ক কাননগো শাখাত সম্পাদন হোৱা মুল কৰ্মৰাজি যেনে –পৰ্য্যবেক্ষক কাননগো আৰু লাঃমঃ সকলৰ নিয়োগ/বদলি কৰণ /পেঞ্চন / মাটিৰ শ্ৰেণী পৰিৱৰ্তন আৰু স্বাক্ষৰীত নকল কপি ইত্যাদি ।

- যোৰহাট জিলাত পৰ্য্যবেক্ষক কাননগো মুঠ মঞ্জুৰীকৃত পদৰ সংখ্যা -১৫ জন । সবিশেষ তলত উল্লেখ কৰা হ'ল ঃ

| যোৰহাট পূৱ | যোৰহাট পশ্চিম | টীয়ক | তিতাবৰ | মৰিয়নী | ভূঃঅঃ শাখা | মুঠ |
|---|---|---|---|---|---|---|
| ৩ | ২ | ৪ | ৩ | ১ | ২ | ১৫ |

- বৰ্তমান পৰ্যবেক্ষক কাননগোৰ খালী পদ নাই ।
- পৰ্য্যবেক্ষক কাননগো পদৰ ৪ মহীয়া বিশেষ প্ৰশিক্ষণৰ বাবে ৫ জন লাঃমঃক ইতিমধ্যে প্ৰেৰণ কৰা হৈছে।

- যোৰহাট জিলাত চক্ৰ বিষয়াৰ কাৰ্য্যালয় সমুহৰ  মুঠ মঞ্জুৰীকৃত লাঃমঃ পদৰ সংখ্যা -১২৬ জন ।

| চক্ৰ | পদৰ সংখ্য | খালী পদ |
|---|---|---|
| যোৰহাট পূৰ্ব | ১৯ | ৩ |
| যোৰহাট পশ্চিম | ২৮ | ৩ |
| টীয়ক | ৩০ | ১ |
| তিতাবৰ | ২৯ | ৭ |
| মৰিয়নী | ১২ | নাই |
| ভূঃঅঃ শাখা | ৮ | ১ |
| মুঠ | ১২৬ | ১৫ |

- বৰ্তমান খালী থকা পদ পূৰণৰ বাবে এই কাৰ্য্যালয়ৰ ১৪/৬/২০১৮ তাংৰ জে আৰ কে ৩৯/২০১৭/২২ নং চিঠি আৰু ২০/৭/২০১৮ তাংৰ জে আৰ কে ৩৯/২০১৭/২৩ নং চিঠি চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে ।

- পৰ্য্যবেক্ষক কাননগো /লাঃমঃ সকলৰ কৰ্তব্যত অনুশাসন ভঙ্গ কৰিলে উপায়ুক্ত মহোদয়ে অসম সেৱা বিধি অনুশাসন আপীল বিধি ৬(১) ৰ অধিনত ২,১,১, অনুযায়ী শাস্তিমূলক ভাৱে সাময়িক ভাৱে নিলম্বন কৰিব পাৰে ।

- চুঃকাঃ আৰু লাঃমঃৰ অৱসৰ কালিন ভাট্টা ঃ-

- অসম চৰকাৰৰ ১৯৮৩ চনৰ ৰাজ্যিক চৰকাৰী শ্ৰেণীভুক্ত বীমা আচঁনিৰ ২৫/২/১৯৮৩ তাংৰ এফ .এম ৫৮/৮১/২৪ ৰ ১১.১ দফা অনুযায়ী শ্ৰেণীভুক্ত বীমা আচঁনিৰ ধন উপায়ুক্ত মহোদয়ৰ অনুমোদন ক্ৰমে মুকলি কৰি দিয়া হয়। উক্ত টকা ৮০১১ বীমা আৰু পেঞ্চন ফাণ্ডৰ ১৯৮৩ ৰ চেভিং ফাণ্ড শিতানৰ পৰা আহৰণ কৰিব পাৰে ।

- পেঞ্চনৰ যাৱতীয় নথি প্ৰস্স্তুত কৰোতে সংলগ্ন মূল সেৱা পুস্তকসহ ফৰ্ম নং ১ (Annexure III) ফৰ্ম নং ২ (Annexure I ) ফৰ্ম নং ১এ পৰিয়ালৰ বিৱৰণ, ফৰ্ম নং ১৯(Annexure III) , LPC, Photograph , Specimen Signature সহ AG, Assam লৈ উপায়ুক্ত মহোদয়ৰ স্বাক্ষৰ সম্বলিত কৰি প্ৰেৰণ কৰা হয়।

- ভৱিষৎ নিধিৰ শিতানৰ পুঁজি মুকলি কৰিবলৈ Form –B, Original GPF Statement আৰু Specimen Signature সহ প্ৰেৰণ কৰা হয়।

- পৰ্য্যবেক্ষক কাননগো /লাঃমঃ / দক্ষতা বিকাশ কৰ্মশালা যোৱা ইংৰাজী ১৪/০২/২০১৭ তাংৰ পৰা ২৩/০২/২০১৭ তাংত New Dharitree Software , e- Panjiyan, Bhunaksha ৰ ওপৰত তিনিদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। ১৬/০৫/২০১৮ আৰু ১৭/০৫/২০১৮ তাংত এদিনীয়া ভূমি ৰাজহ ধৰিত্ৰী ছফটৱেৰ (অনলাইন), ভু-নক্সা আৰু সম্পৰ্কিত অন্যান্য বিষয়ৰ পুনৰীক্ষণ কৰ্মশালা অনুষ্ঠিত হয় । ১৮/০৫/২০১৮ তাৰিখে পঃকাঃ আৰু লাঃমঃ সকলৰ মুঠ ৫০ নম্বৰৰ লিখিত পৰীক্ষা অনুষ্ঠিত হয়। ১১ জন লাঃমঃ উত্তীৰ্ণ হবলৈ সক্ষম নহল । এজন লাঃমঃ সৰ্বমুঠ ৪৮ নম্বৰ লৈ কৃতকাৰ্য্য আহৰণ কৰে ।

- অসম চৰকাৰৰ ০১/০৮/২০১৩ তাংৰ আৰ আৰ টি ২৬৯/৯৪/২৯০ নং চিঠিৰ অধিসূচনা অনুযায়ী ম্যাদী পট্টাৰ বৈধতা ৩০/৮/২০১৮ তাৰিখলৈ থাকিব। চহৰ/নগৰ ফৰ্ম নং ২৩(এ) আৰু ‍গাৱৰ পট্টাসমুহ ফৰ্ম নং ১৯ (এ) ত প্ৰদান কৰা হয়।
- মডাৰ্ণ ৰেকৰ্ড ৰুম ঃ- যোৰহাট পূৰ ৰাজহ চক্ৰৰ
- Scanned total number of A3 size pages - ৩৩৭
- Scanned total number of A2 size pages - ৬১,৮৩৫
- Scanned total number of A1 size pages -6811(Chitha/Jamabondi /Eksona Jamabondi/ Lakheraj Jamabondi/Rayoti Khatiyan/ Sadar Jamabondi)
- যোৰহাট জিলাৰ মুঠ ৰাজহ গাঁও- ৬১৯ খন ।
- যোৰহাট জিলাৰ মুঠ মৌজা - ২২ টা।
- যোৰহাট জিলাৰ মুঠ লাট - ১১৮ টা ।

- জমিৰ শ্ৰেণী পৰিৱৰ্তন ঃ- অসম চৰকাৰৰ ২০১৫ চনৰ গৃহীত The Assam Agricultural Land (Regulation of Re- Classification and Transfer for Non- Agricultural Purpose) Act ২০১৫, আইন্ অনুযায়ী শ্ৰেণী পৰিৱৰ্তনৰ বাবে চক্ৰ বিষয়া সকলে দাখিল কৰা প্ৰস্তাৱ সমুহ তলত উল্লেখ কৰা সদস্য সকলৰ দ্বাৰা গঠিত জিলা পৰ্য্যায়ৰ সমিতিৰ বৈঠকত উপস্হাপন কৰা হয়।

- উপায়ুক্ত, যোৰহাট জিলা
- অতিৰিক্ত উপায়ুক্ত (ৰাজহ), যোৰহাট
- মহকুমাধিপতি, তিতাবৰ
- চক্ৰ বিষয়া, যোৰহাট পূৱ ৰাজহ চক্ৰ
- চক্ৰ বিষয়া, যোৰহাট পশ্চিম ৰাজহ চক্ৰ
- চক্ৰ বিষয়া, টীয়ক ৰাজহ চক্ৰ
- চক্ৰ বিষয়া, তিতাবৰ ৰাজহ চক্ৰ
- চক্ৰ বিষয়া, মৰিয়নী ৰাজহ চক্ৰ
- জিলা কৃষি বিষয়া,যোৰহাট
- কাৰ্য্যবাহী পৰিচালক, জিলা উদ্যোগ কেন্দ্ৰ, যোৰহাট

.

- ১৬/১০/২০১৭ আৰু ১৫/০২/২০১৮ তাৰিখে অনুষ্ঠিত হোৱা জিলা পৰ্য্যায়ৰ বৈঠকত উপায়ুক্ত মহোদয়ে অনুমোদন দিয়া প্ৰস্তাৱসমুহ শ্ৰেণী পৰিৱৰ্তনৰ বাবে দাখিল কৰা প্ৰিমিয়ামৰ টকা ০০২৯ এল আৰ শিতানত চালান যোগে জমা হোৱাত ৰাজহ চক্ৰ অনুযায়ী তলত উল্লেখ কৰা হল।
- তিতাবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত জমিৰ শ্ৰেণী পৰিৱৰ্তনৰ ৩ টা প্ৰস্তাৱত মুঠ ৪০ বিঃ ০৪ কঃ ১৪লোঃ জমি বাৰী আৰু উদ্যোগ শ্ৰেণীলৈ পৰিৱৰ্তন হোৱাত মুঠ ১২,৩৯০৮৯/-টকা কোষাগাৰত জমা হয়।
- যোৰহাট পূৱ ৰাজহ চক্ৰৰ অন্তৰ্গত জমিৰ শ্ৰেণী পৰিৱৰ্তনৰ ৪ টা প্ৰস্তাৱত মুঠ ০৯ বিঃ ০১ কঃ ০১ লোঃ জমি ব্যৱসায় শ্ৰেণীলৈ পৰিৱৰ্তন হোৱাত মুঠ ১৪১২৭১৩/-টকা /-টকা কোষাগাৰত জমা হয়।
- যোৰহাট পশ্চিম ৰাজহ চক্ৰৰ অন্তৰ্গত জমিৰ শ্ৰেণী পৰিৱৰ্তনৰ ২ টা প্ৰস্তাৱত মুঠ ০২ বিঃ ০১ কঃ ০৭ লোঃ জমি বাৰী আৰু ব্যৱসায় শ্ৰেণীলৈ পৰিৱৰ্তন হোৱাত মুঠ ৫৭,৩৬১/-টকা /-টকা কোষাগাৰত জমা হয়।
- টীয়ক ৰাজহ চক্ৰৰ অন্তৰ্গত জমিৰ শ্ৰেণী পৰিৱৰ্তনৰ ৫ টা প্ৰস্তাৱত মুঠ ১২ বিঃ ০৪ কঃ ১১ লোঃ জমি ব্যৱসায় , উদ্যোগ আৰু বাৰী শ্ৰেণীলৈ পৰিৱৰ্তন হোৱাত মুঠ ৬,০৫৪১০/-টকা কোষাগাৰত জমা হয়।

- প্ৰিমিয়াম জমা দিয়া প্ৰস্তাৱসমূহৰ জমিৰ শ্ৰেণী পৰিৱৰ্তন হ'ল । ০১ বিঘাতকৈ কম জমিৰ শ্ৰেণী পৰিৱৰ্তন অনলাইন যোগে কাৰ্য্যকৰী কৰা হয়।

- ৰাজহুৱা আৰু ব্যক্তিগত ভাৱে আপত্তি দৰ্শাই জমিৰ ওপৰত দাখিল কৰা আবেদনসমুহ চক্ৰ বিষয়াসকললৈ ৫৩ নং বিধি অনুযায়ী বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হয় আৰু কাৰ্য্যকৰীকৰণৰ প্ৰতিবেদন বিচৰা হয়।

- জমিৰ নামজাৰী বা নাম নাকচ কৰা সন্দৰ্ভত চক্ৰ বিষয়াৰ পৰা অহা প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি বিবিধ গোচৰ ৰুজু কৰি নিষ্পত্তিৰ বাবে গোচৰৰ শুনানী গ্ৰহণ কৰা হয়।

- লাঃমঃ কাননগো সকলৰ ভৱিষ্যৎ নিধিৰ পৰা বিচৰা অগ্ৰিম ধনৰ কাৰ্য্যকৰী কৰা হয়।

- লাঃমঃ কাননগো সকলৰ আৰ্জ্জিত ছুটীৰ মঞ্জুৰকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়।

- তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত অহা আবেদনসমুহৰ কাৰ্য্যব্যৱস্থা লোৱা হয়।

- অসম চৰকাৰৰ পৰা অহা বিভিন্ন চিঠিৰ চক্ৰ বিষয়া সকলৰপৰা প্ৰতিবেদন সংগ্ৰহ কৰি চৰকাৰলৈ প্ৰেৰণ কৰা হয়।

- মাহেকীয়া  বিল প্ৰস্স্তুতকৰণ ঃ- পঞ্জীয়ক কাননগো শাখাত জেষ্ঠ্য সহায়ক ১ জন , নকল নবিচ  ৪  জন  আৰু  চেইনমেন ৩ জনৰ মাহেকীয়া  বিল প্ৰস্স্তুত কৰা হয়।

- আয় –ব্যয়ৰ প্ৰাককলন (বাজেট) ঃ- পঞ্জীয়ক কাননগো শাখাৰ বাজেট  নিৰ্ধাৰিত প্ৰ-পত্ৰত প্ৰস্তুত কৰি ভূমিলেখ্য অধিকৰ্তা , ৰূপনগৰ গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। হিচাপৰ শিতান 2029-00-001-0143-0000-01 আৰু  2029-00-800-0330-0000-01 শিতানৰ পৰা বাজেট ব্যয় কৰা হয়। পুঁজি ব্যয় কৰাৰ হিচাপ প্ৰতি মাহে MIS ত দাখিল  কৰা হয়।

- দৌল ঃ- ৰাজহ চক্ৰ বিষয়া কাৰ্য্যালয়ৰ পৰা দৌল দাখিল কৰা পাছত অন্য এজন চক্ৰৰ চুঃকাঃ ক দৌলসমুহ পৰীক্ষা কৰিব দিয়া হয়। পৰীক্ষা কৰি শুদ্ধ পোৱাৰ প্ৰতিবেদন পোৱাৰ পাছত দাখিল কৰা দৌলসমুহ অতিৰিক্ত উপায়ুক্ত(ৰাজহ) ৰ অনুমোদন হোৱাৰ পাছত যোৰহাট পূৱ , পশ্চিম আৰু টীয়ক চক্ৰৰ দৌল তৌজি  নবিচ শাখালৈ আৰু মৰিয়নী আৰু তিতাবৰ ৰাজহ চক্ৰৰ দৌলসমুহ পৰীক্ষা কৰাৰ পাছত অনুমোদন কৰি মহকুমাধিপতি (অসাময়িক) তিতাবৰলৈ  ব্যৱস্তা গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হয় ।

- প্ৰাপ্তি স্বীকাৰ ঃ- চৰকাৰৰ পৰা অহা নথি ও চক্ৰ বিষয়া কাৰ্য্যালয়ৰ পৰা অহা নথি ,মুহ প্ৰাপ্তি স্বীকাৰ কৰি শাখাৰ সহায়ক সকলক কৰ্ম অনুযায়ী ভাগ  কৰি দিয়া হয়। নথিসমুহ ৰেজিষ্টাৰত লিপিবদ্ধ কৰি  যোৱা হয়।

- স্বাক্ষৰীত নকল  কপি ঃ- ড্ৰাফ জমাবন্দী, ড্ৰাফ চিঠা, খতিয়ান, নামজাৰী গোচৰ ফৌঃ কাঃ বিঃ আইনৰ ১০৭ ধাৰাৰ অধিনৰ (দণ্ডাধীশ শাখাত) চলি থকা ও নিষ্পত্তি হোৱা গোচৰৰ স্বাক্ষৰীত নকল আৰু বিভিন্ন শাখাৰ ৰাইজৰ আৱশ্যকীয় নথিৰ স্বাক্ষৰী নকল ৰাইজৰ আবেদনৰ ওপৰত ভিত্তি কৰি বিষয়াসকলৰ অনুমতি পালে ফটোকপি কৰি ৰাজহ চিৰস্তাদাৰৰ স্বাক্ষৰত চীল মোহৰ মাৰি দিয়া হয়। ড্ৰাফ জমাবন্দী , ড্ৰাফ চিঠা আৰু  পকা খতিয়ান সমুহ হাতে লিখি দিয়া হয়। ড্ৰাফ জমাবন্দী , ড্ৰাফ চিঠা আৰু  খতিয়ান সমুহ নিৰ্দিষ্ট ফৰ্মত হাতে লিখি ৰাজহ চিৰষ্টাদাৰৰ স্বাক্ষৰ ও চীল মোহৰত আবেদনকাৰীক দিয়া হয়।

- ড্ৰাফ চিঠাৰ ফৰ্ম নং Assam Sehedule XXXVII Form No 30 .
- ড্ৰাফ জমাবন্দীৰ ফৰ্ম নং Assam Sehedule XXXVII Form No 3 .
- পকা খতিয়ানৰ ফৰ্ম নং Form No 19 Rule 31 .
- ড্ৰাফ জমাবন্দী আৰু ড্ৰাফ চিঠাসমুহ ১৯২৭-২৮ চনৰ পৰা উপলব্ধ।
- খতিয়ানসমুহ ১৯৭৬ চনত চুড়ান্তভাৱে প্ৰকাশ পায়।

- মেপ ঃ- মেপসমুহ পঞ্জীয়ক কাননগো শাখাৰ অধিনত ৰাজহ মহাপেছ খানাত সংৰক্ষিত হয় আছে । মণ্ডলৰ হাতৰ ব্যৱহাৰৰ কাৰনে আৰু  ৰাইজৰ আৱশ্যক হলে  মেপ যোগান ধৰা হয়। ৰাইজক দিয়া মেপৰ কাৰনে 2029 LR শিতানত প্ৰতি কপিত ১০ টকাকৈ  চালান জমা দি মেপ নিব পাৰে । সকলো মেপ বৰ্তমান উপলব্ধ নহয়।

- ৰাইজৰ সুবিধাৰ কাৰনে  সদৰ জমাবন্দীসমুহ  দেখুওৱা  হয় লগতে কিবা বুজি নাপালে ভালদৰে বুজাই দিয়া হয়।